# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 19-07-2024
**Time :** 0900 Hrs

# *Assamese Morning Bulletin*
# HEADLINES

১। উত্তৰ প্ৰদেশৰ গোণ্ডাত দুৰ্ঘটনাগ্ৰস্ত চণ্ডিগড়-ডিব্ৰুগড় এক্সপ্ৰেছত অসমৰ কোনো যাত্ৰী হতাহত হোৱা নাই বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ প্ৰকাশ।

২। অসম মুছলিম বিবাহ বিচ্ছেদ পঞ্জীয়ন আইন বিধি বাতিল কৰাৰ সিদ্ধান্ত ৰাজ্য চৰকাৰৰ।

৩। নীট ইউ জিৰ ফলাফল কাইলৈ ৱেবছাইট যোগে প্ৰকাশ কৰিবলৈ উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশনা।

৪। শ্ৰীলংকাৰ ডাম্বুলাত আজি মহিলাৰ এছিয়া কাপ টি-২০ ক্ৰিকেট প্ৰতিযোগিতা আৰম্ভ।

*আৰু*

৫। শ্ৰীলংকাৰ বিৰুদ্ধে খেলিবলগীয়া টি-২০ আৰু এদিনীয়া শৃংখলাৰ ভাৰতীয় দলত অসমৰ ক্ৰিকেটাৰ ৰিয়ান পৰাগৰ স্থান লাভ।

০০০০০০০

উত্তৰ প্ৰদেশত দুৰ্ঘটনাগ্ৰস্ত ডিব্ৰুগড় অভিমুখী ৰে'লত অসমৰ কোনো লোক হতাহত হোৱা নাই বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কালি সামাজিক মাধ্যমত প্ৰকাশ কৰিছে। সমগ্ৰ পৰিস্থিতিৰ ওপৰত ৰাজ্য চৰকাৰে চোকা নজৰ ৰাখিছে আৰু অসমৰ যাত্ৰীসকলক সহায় কৰাৰ কাৰণে সাজু হৈ আছে। আনহাতে, উত্তৰ-পূৱ সীমান্ত ৰে'লৱে আবদ্ধ যাত্ৰীসকলক ওভতাই অনাৰ বাবে বিশেষ ৰে'লৰ ব্যৱস্থা কৰিছে।

উত্তৰ প্ৰদেশ ৰে'ল দুৰ্ঘটনাত কমেও দুজন যাত্ৰী নিহত হোৱাৰ লগতে আন ২০ গৰাকী যাত্ৰী আহত হয়। সূত্ৰটোৱে প্ৰকাশ কৰা অনুসৰি লক্ষ্ণৌৰ পৰা যোৱা দলে উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে। ৰে'ল বিভাগৰ জ্যেষ্ঠ বিষয়াই দুৰ্ঘটনাস্থলীত উপস্থিত হৈ উদ্ধাৰ কাৰ্যৰ তদাৰক কৰি আছে। দুৰ্ঘটনাৰ ফলত কেইবাখনো ৰে'লৰ সেৱা বাতিল কৰা হৈছে। উল্লেখযোগ্য যে ৰে'ল মন্ত্ৰালয়ে নিহতৰ নিকটাত্মীয়লৈ ১০ লাখ টকাকৈ আৰু আহতক আঢ়ৈ লাখ আৰু সামান্যভাৱে আহতক ৫০ হাজাৰ টকাকৈ ক্ষতিপূৰণ ঘোষণা কৰিছে। ৰে'ল মন্ত্ৰালয়ে দুৰ্ঘটনাৰ উচ্চ পৰ্যায়ৰ তদন্তৰ নিৰ্দেশ দিয়ে।

০০০০০০০০

অসমত বাল্য বিবাহ ৰোধৰ বাবে ৰাজ্যিক কেবিনেটে অসম মুছলমান বিবাহ বিচ্ছেদ পঞ্জীয়ন আইন বিধি বাতিলৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। বিধানসভাৰ পৰৱৰ্তী বৰ্ষাকালীন অধিৱেশনত দা আছাম ৰিপিলিং বিল ২০২৪ উত্থাপন কৰা হ'ব। ৰাজ্যত মুছলমান বিবাহ পঞ্জীয়নৰ বাবে উপযুক্ত আইন অনাৰ বাবে ৰাজ্য চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে।

০০০০০০০

অসম বিধানসভাৰ শৰৎকালীন অধিবেশন অহা ২২ আগষ্টৰ পৰা অনুষ্ঠিত হ'ব। ৰাজ্যপাল গুলাব চান্দ কাটাৰিয়াই কালি এখন অধিসূচনাযোগে শৰৎকালীন অধিবেশন ২২ আগষ্টৰ পৰা হ'ব বুলি প্ৰকাশ কৰে। সেইদিনা পুৱা চাৰে ৯ বজাৰ পৰা অধিবেশনৰ কাম-কাজ আৰম্ভ হ'ব।

০০০০০০০

অহা সপ্তাহৰ পৰা আৰম্ভ হ'বলগীয়া সংসদৰ বৰ্ষাকালীন অধিৱেশনত চৰকাৰে দুৰ্যোগ ব্যৱস্থাপনা সংশোধনী আইনকে ধৰি ছখন বিধেয়ক উত্থাপন কৰিব। বিত্ত বিধেয়কৰ উপৰি চৰকাৰে অসামৰিক পৰিবহণ খণ্ডত ব্যৱসায়ৰ সুচলতাৰ উদ্দেশ্যে ১৯৩৪ৰ বিমান আইনৰ সলনি ভাৰতীয় বায়ুযান বিধেয়ক ২০২৪ ও উত্থাপন কৰাৰ বাবেও তালিকাভুক্ত কৰিছে। লোকসভা সচিবালয়ে জাৰি কৰা সংসদীয় বুলেটিনত কালি সন্ধিয়া তালিকাভুক্ত বিধেয়ক কেইখনৰ বিষয়ে প্ৰকাশ কৰা হৈছে। এই বৰ্ষাকালীন অধিৱেশন ২২ জুলাইত আৰম্ভ হ'ব আৰু ১২ আগষ্টত সামৰণি পৰিব। ২৩ জুলাইত বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে ২০২৪-২৫ বিত্তীয় বৰ্ষৰ কেন্দ্ৰীয় বাজেট দাখিল কৰিব।

লোকসভাৰ অধ্যক্ষ ওম বিৰলাই ইতিমধ্যে কাৰ্যক্ৰমণিকা পৰামৰ্শৰলী সমিটি গঠন কৰিছে, যিয়ে সংসদীয় কাৰ্যসূচীসমূহ চূড়ান্ত কৰিব। শ্ৰী বিৰলাই কালিৰেপৰা কাৰ্যকৰী হোৱা এই কমিটিৰ অধ্যক্ষতা কৰিব। এই কমিটিখনত টি এম চিৰ সুদীপ বন্দোপধ্যায়, বিজেপিৰ পি পি চৌধাৰী, টি ডি পিৰ লাভু শ্ৰীকৃষ্ণা দেৱাৰায়ালু, বিজেপিৰ নিশিকান্ত ডুবে, কংগ্ৰেছৰ গৌৰৱ গগৈ, বিজেপিৰ সঞ্জয় জয়ছোৱাল, জে ডি ইউৰ দিলেশ্বৰ কামাইট, বিজেপিৰ ভাত্ৰুহাৰী মহতাব, ডি এম কেৰ দয়ানিধি মৰান, বিজেপিৰ বৈজয়ন্ত পাণ্ডা, শিৱসেনা-ইউ পি টিৰ অৰবিন্দ ছাৱান্ত, বিজেপিৰ অনুৰাগ ঠাকুৰ আৰু এছ পিৰ লালজি বাৰ্মা সদস্য হিচাপে অন্তৰ্ভুক্ত কৰা হৈছে।

oooooooo

বিদেশ সচিব বিক্ৰম মিশ্ৰী দুদিনীয়া ভ্ৰমণসূচীৰে আজি ভূটানলৈ যাব। উল্লেখযোগ্য যে বিদেশ সচিবৰূপে কাৰ্যভাৰ গ্ৰহণৰ পাছত শ্ৰী মিশ্ৰীৰ এইটো প্ৰথম আনুষ্ঠানিক বিদেশ ভ্ৰমণ। ভ্ৰমণ কালছোৱাত বিদেশ সচিবগৰাকীয়ে ভূটানৰ ৰজাৰ উপস্থিতিত একাংশ জনতাৰ সৈতে মত বিনিময় কৰিব। শ্ৰী মিশ্ৰীয়ে দেশখনৰ প্ৰধানমন্ত্ৰী, বিদেশ পৰিক্ৰমা আৰু বিদেশ বাণিজ্য মন্ত্ৰীক সাক্ষাৎ কৰাৰ লগতে  ভূটান চৰকাৰৰ বৈদেশিক সচিব আৰু আন কেইবাগৰাকীও জ্যেষ্ঠ বিষয়াৰ সৈতে মত বিনিময় কৰিব। বিদেশ সচিবদ্বয়ে ভাৰত-ভূটান বিকাশ সহযোগিতা আলোচনাত সহ-অধ্যক্ষতা কৰিব। বিদেশ মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি দুয়োখন দেশৰ মাজত নিয়মীয়াভাৱে অনুষ্ঠিত হৈ অহা উচ্চ পৰ্যায়ৰ আলোচনাৰ পৰম্পৰা ৰক্ষা কৰি এই ভ্ৰমণৰ কাৰ্যসূচী হাতত লোৱা হৈছে আৰু ই ভাৰতৰ চুবুৰীয়া প্ৰথম নীতিকেই প্ৰতিফলিত কৰিছে।

oooooooo

অৰুণাচল প্ৰদেশ বিধানসভাৰ বাজেট অধিৱেশন আজি আৰম্ভ হ'ব। পেমাখান্দু নেতৃত্বাধীন ৰাজ্য চৰকাৰখন পুনৰ ক্ষমতালৈ ঘূৰি অহাৰ পাছত এইখনেই হ'ব চৰকাৰৰ প্ৰথমখন বাজেট। ৰাজ্যখনৰ উপ-মুখ্যমন্ত্ৰী তথা বিত্তমন্ত্ৰী চাওনা মাইনে ২০২৪-২৫ বিত্তীয় বৰ্ষৰ বাজেট উত্থাপন কৰিব। অহা ২৪ জুলাইত তেওঁ এই বাজেট উত্থাপন কৰাৰ কথা আছে। এই অধিৱেশনত ছটা সত্ৰ অনুষ্ঠিত হ'ব আৰু ৬ জুলাইত ইয়াৰ সামৰণি পৰিব।

oooooooo

নিটি আয়োগৰ বিশেষ কাৰ্যসূচী **সম্পূৰ্ণতা অভিযান**ৰ অধীনত অসমৰ কেইবাখনো জিলাত কাৰ্যসূচী অব্যাহত আছে। এই অভিযানৰ অংশ হিচাপে স্বাস্থ্য খণ্ডত সজাগতা সৃষ্টিৰ বিশেষ ব্যৱস্থা কৰা হৈছে।  সম্পূৰ্ণতা অভিযানৰ অধীনত অভিলাষী জিলা আৰু উন্নয়ন খণ্ডসমূহত মহিলা আৰু শিশুৰ স্বাস্থ্য আৰু পৰিপুষ্টিৰ দিশটো উন্নত কৰাৰ বাবে লক্ষ্য লোৱা হৈছে। ইয়াৰ অংশ হিচাপে মূলতঃ প্ৰথম তিনি মাহতে পঞ্জীয়নভুক্ত প্ৰসূতিৰ সংখ্যা বৃদ্ধিৰ পদক্ষেপ লোৱা হৈছে। তদুপৰি সংহত শিশু বিকাশ সেৱাৰ অধীনত প্ৰসূতিৰ পৰিপূৰক খাদ্য যোগান, শিশুক মাতৃ দুগ্ধ পান কৰোৱাৰ প্ৰতি সজাগতা সৃষ্টিৰ দ্বাৰা শিশুৰ সম্পূৰ্ণ ৰোগ প্ৰতিৰোধ ক্ষমতাৰ বৃদ্ধিৰ লক্ষ্য লোৱা হৈছে। সম্প্ৰতি বান ক্ষতিগ্ৰস্ত অঞ্চলসমূহতো প্ৰসুতি আৰু শিশুৰ স্বাস্থ্য ৰক্ষাৰ বাবে এই অভিযানৰ অধীনত ব্যৱস্থা অব্যাহত ৰখা হৈছে। ইপিনে, চৰকাৰে ২০১৫ চনতে কৃষকৰ বাবে আৰম্ভ কৰা ভূমি স্বাস্থ্য কাৰ্ডৰ যোগেদি মাটিৰ নমুনা সংগ্ৰহৰ হাৰ, প্ৰতিটো খণ্ডত মধুমেহ আৰু উচ্চ ৰক্তচাপজনিত ৰোগীসকলক চিনাক্তকৰণৰ হাৰ আৰু একোটা উন্নয়ন খণ্ডত থকা আত্মসহায়ক গোটৰ বিপৰীতে পুঁজি লাভ কৰি থকা গোটৰ হাৰ বৃদ্ধিৰ পদক্ষেপ লোৱা হৈছে। একেদৰে বিদ্যুত যোগান থকা মাধ্যমিক পৰ্যায়ৰ বিদ্যালয়ৰ হাৰ তথা পাঠ্যক্ৰম আৰম্ভ হোৱাৰ এমাহৰ ভিতৰতে

পাঠ্যপুথি বিতৰণৰ হাৰ বৃদ্ধি কৰাৰো লক্ষ্য লোৱা হৈছে। তিনি মাহজোৱা সম্পূৰ্ণতা অভিযানৰ অংশ হিচাপে নিৰ্বাচিত জনপ্ৰতিনিধিৰ লগতে জিলা তথা খণ্ড বিষয়াসকলে গ্ৰাম সভা, নাটক, পুষ্টিকৰ আহাৰ মেলা, স্বাস্থ্য শিবিৰ, প্ৰদৰ্শনী, সজাগতা সভা আৰু সমদল আদি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰিছে।

০০০০০০০০

চলিত বৰ্ষৰ মেডিকেল স্নাতক মহলাত প্ৰৱেশ পৰীক্ষাৰ ফলাফল চহৰ আৰু পৰীক্ষা কেন্দ্ৰ অনুসৰি কাইলৈ দুপৰীয়া ১২ বজাৰ ভিতৰত ৱেবছাইটত প্ৰকাশ কৰিবলৈ উচ্চতম ন্যায়ালয়ে নিৰ্দেশনা জাৰি কৰিছে। পৰীক্ষা অনুষ্ঠিত কৰা সংস্থা নেচনেল টেষ্টিং এজেন্সিক এই নিৰ্দেশ দিয়া হৈছে। পৰীক্ষাৰ্থীৰ পৰিচয় গোপনে ৰাখি এই ফলাফল ঘোষণা কৰিবলৈ উচ্চতম ন্যায়ালয়ে নিৰ্দেশ দিছে। **নীট ইউ জি** পৰীক্ষাৰ কেলেংকাৰী গোচৰৰ শুনানি গ্ৰহণ কৰি উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়, ন্যায়াধীশ জে বি পাৰ্ডিৱালা আৰু ন্যায়াধীশ মনোজন মিশ্ৰক লৈ গঠিত বিচাৰ পীঠে এই নিৰ্দেশ দিয়ে। গোচৰটোৰ পৰৱৰ্তী শুনানিৰ দিন ২২ জুলাইত ধাৰ্য কৰাৰ লগতে সেইদিনাই চূড়ান্ত ৰায় দিয়াৰ সম্ভাৱনা আছে।

০০০০০০০০

অমৰনাথ তীৰ্থ যাত্ৰাৰ চাৰি হাজাৰ ৮২১ গৰাকী যাত্ৰীৰ এটা দলে জম্মুৰ ভাগৱতী নগৰ যাত্ৰী নিবাসৰ পৰা পৱিত্ৰ অমৰনাথ গুহা অভিমুখে যাত্ৰা কৰিছে। আজি পুৱা তীৰ্থ যাত্ৰীসকলে ডেৰশখন বাহনেৰে এই যাত্ৰা আৰম্ভ কৰে। এই দলটোত ৩ হাজাৰ ২৫৯ গৰাকী পুৰুষ, এহেজাৰ ৪৮২ গৰাকী মহিলা, ৮ টি শিশু, ৬৩ গৰাকী সাধু আৰু ৯ গৰাকী মহিলা সাধু আছে।

০০০০০০০০

খাদ্য আৰু অসামৰিক যোগান তথা গ্ৰাহক পৰিক্ৰমা মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে জিলাসমূহত আলু-পিঁয়াজকে ধৰি সকলো অত্যাৱশ্যকীয় সামগ্ৰী যথেষ্ট পৰিমাণে মজুত আছে বুলি প্ৰকাশ কৰিছে। বহিঃৰাজ্যৰ পৰা আলু আৰু পিঁয়াজ কঢ়িওৱা বাহনসমূহ পশ্চিমবংগৰ মাজেৰে অসমত প্ৰৱেশ কৰিব পৰা নাই বুলি সংবাদ মাধ্যমযোগে বাতৰি প্ৰচাৰ হোৱাৰ বিষয়ে উল্লেখ কৰি তেওঁ কয় যে কেৱল সাময়িক ভাৱেহে এনে হৈছিল। এই বাতৰিৰ অজুহাতত খুচুৰা বা পাইকাৰী ব্যৱসায়ীসকলক অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্য বৃদ্ধি নকৰিবলৈ তেওঁ আহ্বান জনায়। এই সন্দৰ্ভত জিলা আয়ুক্তসকলৰ সৈতে মত বিনিময় কৰা হৈছে বুলি তেওঁ সদৰি কৰে। তেওঁ লগতে কয় যে বৰ্তমান আলু-পিঁয়াজকে ধৰি অত্যাৱশ্যকীয় সামগ্ৰী কঢ়িওৱা বাহনসমূহৰ চলাচল স্বাভাৱিকভাৱে অব্যাহত আছে। কোনো ব্যৱসায়ীয়ে মূল্য বৃদ্ধি কৰিলে আয়ুক্ত অথবা খাদ্য আৰু অসামৰিক যোগান তথা গ্ৰাহক পৰিক্ৰমা বিভাগক অৱগত কৰিবলৈ তেওঁ ৰাইজৰ প্ৰতি আহ্বান জনায়।

০০০০০০০০

ৰাজ্যৰ বান পৰিস্থিতি উন্নত হোৱাৰ পাছত পশুধন আৰু হাঁহ-কুকুৰাক ৰোগৰ পৰা ৰক্ষা কৰিবলৈ পশুপালন বিভাগক যাৱতীয় নিৰীক্ষণ আৰু প্ৰতিৰোধমূলক ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে কৃষি আৰু পশুপালন মন্ত্ৰী অতুল বৰাই নিৰ্দেশ দিয়ে। দিছপুৰত অনুষ্ঠিত পশুপালন আৰু পশু চিকিৎসা বিভাগৰ এখন বৈঠকত শীৰ্ষ বিষয়াসকলক এই দিশত তৎপৰতাৰে ব্যৱস্থা গ্ৰহণ কৰিবলৈ মন্ত্ৰীগৰাকীয়ে নিৰ্দেশ দিয়ে। পশুপালন আৰু দুগ্ধ খণ্ডৰ গুৰুত্ব বৃদ্ধি পোৱাৰ প্ৰতি লক্ষ্য ৰাখি এই খণ্ডসমূহৰ উন্নয়ন আৰু পশুপালক তথা দুগ্ধপালকসকলৰ সবলীকৰণ সুনিশ্চিত কৰাৰ বাবে প্ৰচেষ্টা অব্যাহত ৰখা হৈছে বুলি মন্ত্ৰী শ্ৰীবৰাই প্ৰকাশ কৰে। এই বৈঠকত কৃত্ৰিম প্ৰজননৰ লগতে বিভিন্ন আঁচনি আৰু প্ৰকল্পৰ বৰ্তমানৰ স্থিতিৰ বিষয়ে বিশদভাৱে পৰ্যালোচনা কৰা হয়। কৃষকসকলৰ সুবিধাৰ্থে কামসমূহ নিৰ্দ্ধাৰিত সময়সীমাৰ ভিতৰত সম্পন্ন কৰিবলৈ তেওঁ সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিয়ে।

০০০০০০০০

শিক্ষামন্ত্ৰী ৰণোজ পেগুৱে কালি জনতা ভৱনত ভিডিঅ' কনফাৰেঞ্চিং ব্যৱস্থাৰে ৰাজ্যৰ পলিটেকনিক প্ৰতিষ্ঠানসমূহৰ অধ্যক্ষসকলৰ সৈতে মত বিনিময় কৰে। এই বৈঠকত ২০২৪-২৫ বিত্তীয় বৰ্ষত, চৌহদৰ বেৰ,

কৰ্মশালা, অতিৰিক্ত শ্ৰেণীকোঠা, স্মাৰ্ট শ্ৰেণীকোঠা, শিক্ষাৰ্থী আবাসকে ধৰি প্ৰতিষ্ঠানসমূহৰ আন্তঃগাঁথনি উন্নয়ন সন্দৰ্ভত আলোচনা কৰা হয়। এই বৈঠকত উচ্চ শিক্ষাৰ সচিব নাৰায়ণ কোঁৱৰকে ধৰি লোকনিৰ্মাণ বিভাগৰ মুখ্য অভিযন্তা, কাৰিকৰী শিক্ষা সঞ্চালক তথা কেইবাগৰাকীও জ্যেষ্ঠ বিষয়া উপস্থিত থাকে।

oooooooo

সমগ্ৰ শিক্ষা অভিযান বৰপেটাৰ উদ্যোগত বুনিয়াদী, স্বাক্ষৰতা আৰু সাংখ্যিকতা সন্দৰ্ভত জিলা পৰ্যায়ৰ বিশেষ প্ৰশিক্ষণ কেন্দ্ৰৰ শিক্ষা সেৱক-সেৱিকাসকলৰ তিনিদিনীয়া আবাসিক প্ৰশিক্ষণ শিবিৰৰ কালি সামৰণি পৰে। এই শিবিৰত শিক্ষাৰ্থীসকলক গুণগত শিক্ষা প্ৰদান, প্ৰথম আৰু দ্বিতীয় শ্ৰেণীত ভাষা আৰু গণিতৰ শিকনীয় দিশ তথা এই সন্দৰ্ভত উদ্ভৱ হোৱা সমস্যা সন্দৰ্ভত বিশেষ আলোকপাত সহ প্ৰশিক্ষণ প্ৰদান কৰা হয়। এই শিবিৰত জিলাখনৰ ১১০ গৰাকী শিক্ষা সেৱক তথা সেৱিকাই অংশগ্ৰহণ কৰে। শিবিৰত প্ৰতিটো কেন্দ্ৰৰ শিক্ষা সেৱক আৰু সেৱিকাসকলে শ্ৰেণী অনুযায়ী পাঠ ভিত্তিত কাৰ্যসূচী উপস্থাপন কৰে।

oooooooo

লখিমপুৰ জিলাৰ মহিলা আৰু শিশু উন্নয়ন বিভাগৰ উদ্যোগত জিলা অনুষ্ঠান ব্যৱস্থাপনা গোটে অসম চাহ মজদুৰ সংঘ, লখিমপুৰৰ সহযোগত মিছন শক্তি অভিযানৰ বিশেষ কাৰ্যসূচীৰ আয়োজন কৰে। অনুষ্ঠানত প্ৰধানমন্ত্ৰী মাতৃ বন্দনা যোজনা, আধাৰ কাৰ্ড, পি এম কিষাণকে ধৰি কেইবাখনো আঁচনিৰ পঞ্জীয়ন কৰা হয়। এই কাৰ্যসূচীত কিশোৰী, মহিলা, বয়োজ্যেষ্ঠ তথা স্থানীয় যুৱক-যুৱতীসকলে অংশগ্ৰহণ কৰে।

oooooooo

শ্ৰীলংকাৰ কলম্বোত অহা ২৫ জুলাইৰ পৰা হ'বলগীয়া চিলন মাষ্টাৰ্ছ আন্তৰ্জাতিক বেডমিণ্টন প্ৰতিযোগিতাৰ বাবে ঘোষিত ভাৰতীয় দলত অসমৰ বিজয় বৰ্মন আৰু অৰূপ বুঢ়াগোঁহাইয়ে স্থান লাভ কৰিছে। বিজয় বৰ্মনে প্ৰতিযোগিতাখনৰ ৫৫ বছৰ উৰ্দ্ধৰ ডাবলছ আৰু ৫০ বছৰ উৰ্দ্ধৰ মিক্সড ডাবলছ শাখাত অৱতীৰ্ণ হ'ব। ৫৫ বছৰ উৰ্দ্ধৰ ডাবলছত বিজয় বৰ্মনৰ সৈতে অৰূপ বুঢ়াগোঁহাইয়ে যুঁটী বান্ধিব। উল্লেখযোগ্য যে ২০২৩ চনত দক্ষিণ কোৰিয়াত অনুষ্ঠিত বিশ্ব চেম্পিয়নশ্বিপতো বিজয় বৰ্মন আৰু অৰূপ বুঢ়াগোঁহাইয়ে ভাৰতীয় দলক প্ৰতিনিধিত্ব কৰিছে।

oooooooo

শ্ৰীলংকাৰ বিৰুদ্ধে খেলিবলগীয়া টি-২০ আৰু এদিনীয়া শৃংখলাৰ বাবে ভাৰতীয় দল দুটা ঘোষণা কৰা হৈছে। দুয়োটা দলতে অসমৰ ক্ৰিকেটাৰ ৰিয়ান পৰাগে স্থান লাভ কৰিছে। সূৰ্য কুমাৰ যাদৱৰ নেতৃত্বৰ টি-২০ দলটোত শুভমন গীল সহ-অধিনায়ক হিচাপে থাকিব। আনহাতে ৰোহিত শৰ্মাৰ নেতৃত্বত এদিনীয়া দলটো ঘোষণা কৰা হৈছে। তিনিখনীয়া টি-২০ খেল ২৭ জুলাই আৰু এদিনীয়া খেল ২ আগষ্টত আৰম্ভ হ'ব।

oooooooo

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক বাতৰি কাকতসমূহে চণ্ডিগড়-ডিব্ৰুগড় এক্সপ্ৰেছ লাইনচ্যুত হোৱা বাতৰিটো ভিন ভিন শিৰোনামেৰে প্ৰকাশ কৰিছে। দৈনিক অসম কাকতে চণ্ডিগড়-ডিব্ৰুগড় এক্সপ্ৰেছ লাইনচ্যুত, আমাৰ অসম কাকতে ডিব্ৰুগড় মুখী ৰে'ল বাগৰিল উত্তৰ প্ৰদেশত ঃ দুজন যাত্ৰী নিহত, নিয়মীয়া বাৰ্তা কাকতে উত্তৰ প্ৰদেশত লাইনচ্যুত ডিব্ৰুগড় মুখী ৰে'ল, অসমীয়া খবৰ কাকতে কূটাঘাট নে দুৰ্ঘটনা ঃ বাগৰিল ডিব্ৰুগড় এক্সপ্ৰেছ শিৰোনামেৰে মুখ্য বাতৰি প্ৰকাশ কৰিছে।

নতুনকৈ নীটৰ ফলাফল ঘোষণা কৰাৰ নিৰ্দেশ এই শিৰোনামেৰে অসমীয়া প্ৰতিদিন আৰু বাৰ্মিজ চুপাৰীৰ ট্ৰাকত ড্ৰাগছ-মাৰণাস্ত্ৰ শিৰোনামেৰে দৈনিক জনমভূমি কাকতে মুখ্য বাতৰি প্ৰকাশ কৰিছে। দৈনিক অগ্ৰদূত কাকতে ৰাজ্যত দৈনিক ১০টিকৈ শিশুৰ মৃত্যু শিৰোনামেৰে কাকতখনে মুখ্য বাতৰি প্ৰকাশ কৰিছে।

মুছলমান মহিলাৰ বিবাহ সম্পৰ্কীয় আইন ৰাজ্য চৰকাৰে বাতিল কৰা বাতৰিটো প্ৰায় কেইখন কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। ইয়াৰ লগতে নীটৰ ফলাফল ২০ জুলাইৰ ভিতৰত ঘোষণা কৰাৰ নিৰ্দেশনাৰ বাতৰিটো

ভিন ভিন শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ পাইছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই চিকিৎসা খণ্ডত ব্যাপক পৰিৱৰ্তন অনাৰ প্ৰতিশ্ৰুতি দিয়া বাতৰিটো অসমীয়া খবৰ আৰু দৈনিক জনমভূমি কাকতে প্ৰকাশ কৰিছে।

জানুৱাৰীৰ পৰা তিনিটা পৰ্যায়ত পুনৰ গুণোৎসৱ অনুষ্ঠিত কৰাৰ বাতৰিটো প্ৰায় কেইখন কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। বিটিচিলৈ ৪০১ দশমিক ৫-০ কোটি টকা ঘোষণা, অসমৰ তিনিটা ঔদ্যোগীক প্ৰকল্পলৈ কেন্দ্ৰৰ অুমোদন, মুখ্যমন্ত্ৰী জন আৰোগ্য যোজনা-আয়ুষ্মাণ অসমৰ বাবে মুকলি ৩৭৫ কোটি টকা আৰু পাঁচ সমষ্টিৰ উপ-নিৰ্বাচনত তিনিটাত প্ৰতিদ্বন্দ্বিতা কৰিব বিজেপিয়ে আদি শিৰোনামেৰে ক্ৰমে অসমীয়া প্ৰতিদিন, দৈনিক অগ্ৰদূত, অসমীয়া খবৰ, দৈনিক জনমভূমি, নিয়মীয়া বাৰ্তা কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

সোমবাৰৰ পৰা সুলভ মূল্যৰ ব্যৱসায়ীয়ে অনাদায় কমিচন লাভ কৰিব আৰু মাহেকত তিনি দিন থকাকৈ বৰাকলৈ মন্ত্ৰী যাব লাগিব- শিৰোনামৰ বাতৰি দুটা দৈনিক অসম কাকতে গুৰুত্বসহকাৰে প্ৰথম পৃষ্ঠাত স্থান দিছে।

দ্যা ছেণ্টিনেল, দি আছাম ট্ৰিবিউন কাকতে মুছলিম বিবাহ বিচ্ছেদ পঞ্জীয়ন আইন বাতিল হোৱাৰ বাতৰিটো **Cabinet decides to repeal Assam Muslim Marraiages and Divorce Registration Act.** আৰু **State Cabinet decides to repeal Assam Muslim Marraiages Act** শিৰোনামেৰে মুখ্য বাতৰি প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে – বাল্য বিবাহ প্ৰতিৰোধৰ ক্ষেত্ৰত পুৰণা আইন বাতিল কৰি নতুন আইন প্ৰণয়ন কৰাৰ বাবে ৰাজ্য চৰকাৰৰ কেবিনেটৰ সিদ্ধান্ত গ্ৰহণ, ইণ্ডিয়ান অইলৰ সঞ্চালক হিচাপে অৰবিন্দ কুমাৰৰ দায়িত্বভাৰ গ্ৰহণ ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

oooooooo

**সমাপ্ত**